**অসম বিধান সভা**

**তৰা চিহ্নীত প্ৰশ্ন নং – * ১৫৭**

**উত্তৰ দিয়াৰ তাৰিখ : ১৫/০৭/২০২৬**

বিষয় : অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী দায়বদ্ধতা। বিধায়ক : মো: নুৰুল ইছলামঃ

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰ দায়বদ্ধ হয় নে ?

(খ) এই চুক্তি অনুসৰি **১৯৭১** চনৰ ২৪ মাৰ্চৰ পিছত অহা অসমৰ প্ৰতিগৰাকী ব্যক্তিক বৰ্তমান চৰকাৰে বিদেশী বুলি গণ্য কৰে নে? এই চুক্তিৰ চৰ্ত অনুযায়ী **১৯৭১** চনৰ ২৫ মাৰ্চৰ পূৰ্বৰ লোকসকল ভাৰতীয় নাগৰিক হয় নে? অসম চুক্তিৰ চৰ্ত অনুসৰি ভাৰতীয় নাগৰিকসকলৰ সংবিধান প্ৰদত্ত সকলো অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰ দায়বদ্ধ হয় নে? (বিস্তৃত তথ্য দাখিল কৰিব)

(গ) অসম চুক্তিৰ আধাৰত বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ভিত্তি সময়সীমাৰ পৰিপন্থী নহয় নে? যদি নহয়, নাগৰিকত্ব সংশোধনী আইন, ২০১৯ অনুসৰি কিমান দিনৰ সময়সীমাৰ ভিতৰত অসমলৈ অহা লোক এজনক ভাৰতীয় হিচাপে গণ্য কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব)

(ঘ) অসম চুক্তিৰ আধাৰত বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ভিত্তিবৰ্ষৰ পৰিৱৰ্তন ঘটোৱা নাগৰিকত্ব সংশোধনী আইন, ২০১৯ যাতে উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ দৰে অসমতো বলবৎ কৰা নহয়, সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ প্ৰেৰণৰ দিশটো বিবেচনা কৰিব নে অসম চৰকাৰে?

(ঙ) অসম চুক্তি ছয় নং দফা ৰূপায়ণ কৰি অসমীয়া মানুহৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? (তথ্যসহ দাখিল কৰিব)

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) হয়, বৰ্তমান চৰকাৰ অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে আৰু সম্পূৰ্ণভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে দায়বদ্ধ। ৰাজ্য চৰকাৰে ইয়াৰ বাবে এক সুকীয়া অসম চুক্তি ৰূপায়ণ বিভাগৰ জৰিয়তে নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণৰ কাৰ্যসূচী চলাই আছে।

(খ) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি Foreigners Act, 1946 ; Passport (Entry into India) Act, 1920, Immigration and Foreigners Act, 2025 আৰু Citizenship (Amendment) Act, 2019 ৰ সংশ্লিষ্ট ধাৰামতে অসমলৈ অবৈধভাবে অহা যিসকল ব্যক্তি অবৈধ বিদেশী হিচাপে পৰিগণিত হয়, সেইসকল ব্যক্তিক অসমত অবৈধ বিদেশী হিচাপে চিনাক্ত কৰা হয় ।

(গ) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ অধীনস্থ জনগণনা অভিযান সঞ্চালকালয়, অসমৰ পৰা পোৱা তথ্য অনুসৰি নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ৰ অধীনত ২০১৪ চনৰ **৩১** ডিচেম্বৰ বা তাৰ আগতে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্থানৰ পৰা ভাৰতত প্ৰবজন হোৱা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বীৰ লোকসকলক ভাৰতত নাগৰিকত্ব প্ৰদান কৰাৰ ব্যৱস্থা আছে ।

(ঘ) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯, ভাৰত চৰকাৰৰ দ্বাৰা গৃহীত এখন কেন্দ্ৰীয় আইন । উক্ত আইনখন অসমতো বলবৎ হৈ আছে । সেয়েহে, উক্ত আইনৰ বিধি অনুসৰণ কৰি থকা হৈছে ।

(ঙ) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ কৰিবলৈ ইতিমধ্যে চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। ইয়াৰে বিতং তথ্য তলত উল্লেখ কৰা হ'ল:

২০২৪ চনৰ 4 ছেপ্টেম্বৰত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত অসম চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে গঠন কৰি দিয়া অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতিৰ দাখিল কৰা প্ৰতিবেদনখন পৰীক্ষা কৰে। কেবিনেটে লগতে এটা মন্ত্ৰী গোট (Group of Ministers) গঠন কৰাৰ সিদ্ধান্ত লয়, যিয়ে সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অন্যান্য সংগঠনসমূহৰ সৈতে আলোচনা কৰি কেবিনেটে গ্ৰহণ কৰা সকলো পৰামৰ্শ ৰূপায়ণ কৰাৰ লক্ষ্যৰে এক স্পষ্ট ৰূপৰেখা (road map) আৰু ৰূপায়ণৰ গাঁথনি প্ৰস্তুত কৰিব।

ইয়াৰ পিছত, ২৫/০৯/২০২৪ তাৰিখে লোক সেৱা ভৱনত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত মন্ত্ৰী গোট, অসমৰ মুখ্য সচিব, অংশীদাৰ বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ সদস্যসকলৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত

Contd.

সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত কেৱল ৰাজ্য চৰকাৰৰ একাধিপত্যৰ অধীনত থকা ৫২ টা পৰামৰ্শৰ লগতে যিবোৰ পৰামৰ্শৰ এটা অংশ অসম চৰকাৰে স্বতন্ত্ৰভাৱে ৰূপায়ণ কৰিব পাৰে, সেইবোৰ ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত সময়ভিত্তিক কাৰ্যসূচীৰ জৰিয়তে ৰূপায়ণৰ বাবে পদক্ষেপ লোৱা হ'ব। এই সন্দৰ্ভত, ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আছুৰ সৈতে হ'বলগীয়া পৰৱৰ্তী বৈঠকত দাখিল কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহে দাখিল কৰা কাৰ্যপন্থাৰ ভিত্তিত এটা খচৰা কাৰ্যপন্থা (draft action plan) প্ৰস্তুত কৰা হৈছে।

২০২৫ চনৰ ১৬ ফেব্ৰুৱাৰীত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, অংশীদাৰ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। এই বৈঠকত সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত, ন্যায়াধীশ বি.কে. শৰ্মা সমিতিৰ ৫২ টা পৰামৰ্শৰ ভিতৰত ৩৯ টা পৰামৰ্শৰ- যিবোৰ সম্পূৰ্ণৰূপে বা আংশিকভাৱে ৰাজ্য চৰকাৰৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত পৰে, সেইবোৰ ২০২৫ বৰ্ষৰ ভিতৰত ৰূপায়ণৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব। এই সন্দৰ্ভত অসম বাজেট ২০২৫-২৬ ত প্ৰয়োজনীয় বাজেট ঘোষণাও কৰা হৈছে।

তদুপৰি, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতিৰ বাকী ১৩ টা পৰামৰ্শৰ আলোচনাৰ বাবে ২০২৫ চনৰ ২২ নৱেম্বৰত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত তৃতীয় পৰ্যায়ৰ বৈঠকখনো অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে আৰু সংশ্লিষ্ট বিভাগসমূহক এই ১৩ টা পৰামৰ্শ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিয়া হয়।

সংশ্লিষ্ট বিভাগসমূহৰ পৰা নিয়মীয়াকৈ Action Taken Report সংগ্ৰহ, তথা পৰ্য্যালোচনা কৰি পৰামৰ্শসমূহৰ অগ্ৰগতি নিৰীক্ষণ কৰি থকা হৈছে।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট “https://cms.neva.gov.in"ত আপলোড কৰা হৈছে।